“ইছলামৰ সৰ্বোত্তম অন্যতম এটা সৌন্দৰ্য হৈছে, অনৰ্থক অপ্ৰয়োজনীয় বিষয় পৰিত্যাগ কৰা।”

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “ইছলামৰ সৰ্বোত্তম অন্যতম এটা সৌন্দৰ্য
হৈছে, অনৰ্থক অপ্ৰয়োজনীয় বিষয় পৰিত্যাগ কৰা।”
[قال النووي: حديث حسن] [رواه الترمذي وغيره]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মুছলিমৰ পৰিপূৰ্ণ ইছলাম আৰু পূৰ্ণাংগ ঈমানৰ পৰিচয় হৈছে, অলাগতিয়াল তথা অপ্ৰয়োজনীয় কথা হওক বা কৰ্ম আদি বিষয়ৰ পৰা আঁতৰি থকা। অথবা দ্বীনি আৰু দুনিয়াৱী ক্ষেত্ৰত সকলো প্ৰকাৰ অলাগতিয়াল বিষয় পৰিত্যাগ কৰা। যিবোৰ বস্তু মানুহৰ বাবে দৰকাৰী নহয়, তেনেকুৱা বিষয়ত ব্যস্ত থাকিলে তেওঁ সেইবোৰ বিষয়ৰ পৰা আঁতৰি যাব পাৰে, যিবোৰ তেওঁৰ বাবে বেছি দৰকাৰী। অথবা তেওঁক সেইবোৰ বিষয়ত ব্যস্ত কৰি ৰাখিব পাৰে, যিবোৰৰ পৰা তেওঁ আঁতৰি থকা উচিত। কাৰণ কিয়ামতৰ দিনা মানুহক নিজৰ কৰ্ম সম্পৰ্কে জবাবদিহি কৰা হ'ব।

http://www.sunnah.global/hadeeth/as/show/65255